# A Study of Socio Cultural Aspects of Hahchara Naga Gaon of Sivasagar District,Assam

**A Project report Submitted to Department of Education, H.C.D.G. College for the Course Discipline Specific Elective - DSE-4 (Project report) 2023 in partial fulfilment of the requirement for the Degree of B.A. in Education.**


**Submitted by**

Ankur Handique

Roll No : 13410002

Registration No. : S2028458 of 2020-21 Dibrugarh University

B.A. 6th Semester Examination (CBCS)



**Department of Education**
**HCDG College, Nitaipukhuri, Sivasagar, 785671**


**2023**

HCDG COLLEGE
Department of Education
NITAIPUKHURI

# প্ৰমাণ পত্ৰ

তাৰিখ ঃ ১৫/০৫/২০২৫

**"শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সামাজিক-সাংস্কৃতিক দিশৰ এক অধ্যয়ন"** শীৰ্ষক এই অধ্যয়ন মোৰ তত্ত্বাৱধানত শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ /ছাত্ৰী মিৎকুৰ অন্দিকে য়ে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ ষান্মাসিকৰ শিক্ষাতত্ব (সন্মান) বিষয়ৰ অষ্টাদশ কাকত **'প্ৰকল্প প্ৰতিবেদন'** (Project Report) Paper Code DSE-4 ৰ উপযোগীকৈ প্ৰস্তুত কৰে আৰু শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

গৌৰীশিখা গগৈ
**তত্ত্বাবধায়ক**
**শিক্ষা বিভাগ**
**হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়**

# ঘোষণা পত্ৰ

অনুসন্ধানকাৰীয়ে **"শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সামাজিক-সাংস্কৃতিক দিশৰ এক অধ্যয়ন"** বিষয়ৰ ওপৰত নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ নিজাভাৱে সংগ্ৰহ কৰা তথ্য সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু শিক্ষা বিভাগলৈ স্নাতক উপাধিৰ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

**অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ**

# কৃতজ্ঞতা পত্ৰ

তাৰিখ ঃ ২৫/০৩/২০২৬

পোন প্ৰথমে এই অধ্যয়নত মোক বিভিন্ন দিশত সহায় কৰা গৌৰী শিখা গগৈ বাইদেউলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা মানসী গগৈ বাইদেউৰ লগতে ড° লীনা দত্ত বাইদেউ আৰু ড° ৰশ্মিৰেখা দুৱৰা বাইদেউকো তেওঁলোকৰ সহযোগিতাৰ বাবে ধন্যবাদ জনাইছো।

অধ্যয়নটো আগবঢ়াই নিবলৈ অনুমতি প্ৰদান কৰাৰ কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰকৃতজ্ঞ।

অধ্যয়নটোৰ কাৰণে প্ৰয়োজন হোৱা তথ্য তথা সমলসমূহ প্ৰদানৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ প্ৰত্যেকগৰাকী ব্যক্তিকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অৱশেষত এই অধ্যয়নটোত সহায় কৰা প্ৰত্যেক গৰাকী ব্যক্তিলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ

# সূচীপত্ৰ


| | পৃষ্ঠা নং |
|---|---|
| প্ৰমাণপত্ৰ- I | i |
| প্ৰমাণপত্ৰ-II | ii |
| ঘোষণাপত্ৰ | iii |
| কৃতজ্ঞতাপত্ৰ | iv |
| তালিকাসূচী | v |
| পৰিভাষা | |
| **অধ্যায়- ১.০ ঃ আৰম্ভণি** | ১-২ |
| ১.০১ শিৰোনাম | |
| ১.০২ অধ্যয়নৰ উদ্দেশ্য | |
| ১.০৩ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ বিৱৰণ | |
| ১.০৪ অধ্যয়নৰ যুক্তিযুক্ততা | |
| ১.০৫ অধ্যয়নত ব্যৱহৃত মূল শব্দসমূহৰ সংজ্ঞা | |
| ১.০৬ অধ্যয়নৰ সীমাবদ্ধতা | |
| **অধ্যায়- ২ ঃ প্ৰণালীতত্ত্ব** | ৩ |
| ২.০১ অধ্যয়নৰ পদ্ধতি | |
| ২.০২ জনসমষ্টি | |
| ২.০৩ অধ্যয়নৰ নমুনা দল | |
| ২.০৪ অধ্যয়নত ব্যৱহৃত সঁজুলিসমূহ | |
| ২.০৫ তথ্য সংগ্ৰহৰ প্ৰণালী | |
| ২.০৬ তথ্য বিশ্লেষণৰ প্ৰণালী | |
| **অধ্যায়- ৩ ঃ তথ্যৰ বিশ্লেষণ** | ৪-১০ |
| ৩.০১ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সামাজিক দিশসমূহ | |
| ৩.০২ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সাংস্কৃতিক দিশসমূহ | |
| ৩.০৩ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সামাজিক তথা সাংস্কৃতিক দিশত পৰিলক্ষিত হোৱা পৰিৱৰ্তনসমূহ | |
| **অধ্যায়- ৪ ঃ সামৰণি** | ১১ |
| ৪.১ অধ্যয়নৰ ফলাফল | |
| ৪.২ ভৱিষ্যত অধ্যয়নৰ বাবে পৰামৰ্শাৱলী | |
| ৪.৩ সামৰণি | |
| গ্ৰন্থপঞ্জী | |
| পৰিশিষ্টাংশ | |

# তালিকাসূচী


| তালিকা | পৃষ্ঠা |
|---|---|
| তালিকা নং ৩.১ ঃ শিক্ষাগত অৰ্হতাৰ তালিকা | ৫ |


# পৰিশিষ্টৰ তালিকা


| | |
|---|---|
| পৰিশিষ্ট ১ | ঃ গাঁৱৰ মুখিয়ালৰ কাৰণে প্ৰশ্নসূচী |
| পৰিশিষ্ট ২ | ঃ গাঁৱৰ ব্যক্তিসকলৰ কাৰণে প্ৰশ্নসূচী |
| পৰিশিষ্ট ৩ | ঃ গাঁৱৰ ব্যক্তিসকলৰ কাৰণে অৰ্ধসংগঠিত সাক্ষাৎকাৰসূচী |
| পৰিশিষ্ট ৪ | ঃ আলোকচিত্ৰ |

# অধ্যায় — ১

# আৰম্ভণি
# (Introduction)

**১.০ আৰম্ভণি** (Introduction) ঃ

কোনো এখন সমাজ বিভিন্ন জাতি, জনজাতি আৰু জনগোষ্ঠীয় লোকৰ দ্বাৰা গঢ় লৈ উঠে। এই জাতি, জনগোষ্ঠীসমূহৰ স্বকীয় সামাজিক ব্যৱস্থা আৰু নিজস্ব সংস্কৃতি থাকে।

উত্তৰ পূৰ্ব ভাৰত হৈছে বিভিন্ন জাতি-জনজাতিৰ সমন্বয়স্থলী। এই জাতি-জাতিসমূহে বিভিন্ন কাৰণবশতঃ সময়ে সময়ে চুবুৰীয়া ৰাজ্যসমূহলৈ গতি কৰে আৰু সেই ৰাজ্যৰ সমাজ-সংস্কৃতিৰ লগত মিলি যায়। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বসবাস কৰা জনজাতিসমূহৰ ভিতৰত এক বৃহত্তম জনজাতি হৈছে নগাসকল। স্বাধীনতাৰ পৰৱৰ্তীকালত নগাসকলে 'নাগালেণ্ড' নামেৰে এক পৃথক ৰাজ্য স্থাপন কৰি বসবাস কৰিবলৈ লয়। কিন্তু নানা কাৰণবশতঃ নগাসকল কিছু অংশ অসমলৈ আগমন ঘটে। শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱলৈ নগাসকলৰ আগমন সম্পৰ্কে বিভিন্নধৰণৰ জনশ্ৰুতি পোৱা যায়। এক জনশ্ৰুতিমতে স্বৰ্গদেউ গদাধৰ সিংহৰ পৰিচৰ্যাৰ বাবে কিছু নগালোক এই ঠাইলৈ আহিছিল। স্বৰ্গদেউৱে তেওঁৰ পৰিচৰ্যা কৰা লোকসকলক গড়গাঁৱৰ নাতিদূৰত নিগাজিকৈ মাটি-বাৰী দি থকাৰ সুবিধা কৰি দিছিল তেতিয়াৰে পৰা সেই নগাসকলে পুৰুষানুক্ৰমে হাঁহচৰা নগা গাঁৱত বসবাস কৰি আহিছে। এক দীৰ্ঘসময় ধৰি আন এখন সমাজৰ বা আন এখন ৰাজ্যৰ সংস্কৃতিৰ সৈতে সহবাস কৰি থকাৰ ফলত কোনো জাতি-জনজাতিৰ নিজৰ স্বকীয়তা প্ৰভাৱ পৰাটো স্বাভাৱিক।

**১.১ শিৰোনাম** (Title) ঃ

"শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সামাজিক-সাংস্কৃতিক দিশৰ এক অধ্যয়ন।" (A Study of the Socio-Cultural Aspects of Hahchara Naga Gaon, Sivasagar District)

**১.০২ অধ্যয়নৰ উদ্দেশ্য** (Objectives of the Study) ঃ

১। শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ সামাজিক দিশৰ অধ্যয়ন কৰা।
২। শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সাংস্কৃতিক দিশৰ অধ্যয়ন কৰা।
৩। শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সামাজিক তথা সংস্কৃতিক দিশত পৰিলক্ষিত হোৱা পৰিৱৰ্তনসমূহৰ অধ্যয়ন কৰা।

**১.০৩ ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ বিৱৰণ** (Description of Hahchara Naga Gaon, Sivasagar) ঃ

শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁও শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১৩ কিলোমিটাৰ পূৱে অৱস্থিত। হাঁহচৰা নগা গাঁৱৰ পূৱে লংকাক গোসাঁই গাঁও। পশ্চিমে মৈৰামৰা সন্দিকৈ গাঁও, উত্তৰে লাটুম গাঁও আৰু দক্ষিণে কছাৰী গাঁও। নগাসকলৰ বিভিন্ন ঠাল যেনে — আও, চেমা, লঠা, আঙ্গামী কন্যাক আদিসকলৰ ভিতৰত শিৱসাগৰ জিলাৰ নগা গাঁৱত বসবাস কৰি থকা নগাসকল কন্যাক নগা জনগোষ্ঠীৰ। শিৱসাগৰ বালিঘাট সংযোগী বি.জি. ৰোডৰ পৰা উত্তৰলৈ প্ৰায় এক কি.মি. মান দূৰত হাবিপৰা আলিৰ দুয়োকাষে প্ৰায় ৮০ ঘৰমান কন্যাক নগালোকেৰে এই গাঁওখন অৱস্থিত।



হাঁহচৰা নগা গাঁৱৰ মানচিত্ৰ

**১.০৪ অধ্যয়নৰ যুক্তিযুক্ততা** (Rationale of the Study) ঃ

সমাজ আৰু সংস্কৃতি হৈছে মানৱ জীৱনৰ এক এৰাব নোৱাৰা অংগ। কোনো এক জাতি-জনজাতি বা জনগোষ্ঠীৰ পৰিচয় বা স্বকীয়তা নিৰ্ভৰ কৰে তেওঁলোকৰ নিজা সংস্কৃতিৰ ওপৰত। যেতিয়া কোনো ব্যক্তি বা ব্যক্তিৰ সমষ্টি নিজা সমাজ বা নিজা ঠাইখন এৰি আহি সম্পূৰ্ণভাৱে পৃথক এখন সমাজৰ লগত সমাযোজন স্থাপন কৰিব লগা হয় তেতিয়া তেওঁলোকৰ নিজৰ সামাজিক সাংস্কৃতিক দিশসমূহ কিছু পৰিমাণে লুপ্ত পায়। এক জনশ্ৰুতিমতে কন্যাক নগাসকল নাগালেণ্ডৰ পৰা শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱলৈ আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ দিনতেই (১৬৮১-১৬৯৬) আহিছিল। দীৰ্ঘসময় তেওঁলোকে অসমতেই বসবাস কৰি আছে। সেয়েহে হাঁহচৰা নগাগাঁৱত বাস কৰা কন্যাক নগাসকলৰ মাজত প্ৰচলিত সামাজিক আৰু সাংস্কৃতিক দিশসমূহৰ অধ্যয়নৰ প্ৰয়োজনীয়তা অনুধাৱন কৰি এই অধ্যয়নটো সমাপন কৰা হৈছে।

হাঁহচৰা নগাগাঁৱৰ সংস্কৃতি তথা সামাজিক দিশসমূহৰ ওপৰত বৰ্তমানলৈকে বিভিন্নধৰণৰ গৱেষণামূলক অধ্যয়ন সম্পাদন কৰা হৈছে। ২০১৫ চনত পাৰ্থপ্ৰতীম দত্ত আৰু উজ্জ্বল প্ৰতীম দত্তই 'A study of a Kanyak Naga Village in Sivasagar district of Assam' শীৰ্ষক শিৰোনামেৰে এক অধ্যয়ন কৰিছিল এই অধ্যয়নটোত গৱেষকজনে কন্যাক নগাসকলৰ অসমলৈ আগমনৰ ঐতিহাসিক পটভূমি আৰু তেওঁলোকৰ সংস্কৃতি সম্পৰ্কে আলোচনা কৰিছে।

সীমান্ত বৰুৱা (২০১৭)ই 'Family among the Nagas in Assam. A case study in Hanchara Naga Gaon in Sivasagar district of Assam' শীৰ্ষক গৱেষণা পত্ৰত তেওঁ হাঁহচৰা নগা গাঁৱৰ লোক-সংস্কৃতিৰ প্ৰত্যোকটো দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

এই গৱেষণামূলক অধ্যয়নসমূহে হাঁহচৰা নগাগাঁৱত বসবাস কৰা কন্যাক নগাসকলৰ সমাজব্যৱস্থা আৰু সংস্কৃতি সম্পৰ্কীয় দিশসমূহ সাঙুৰি লৈছে। কিন্তু অসমৰ লোকসকলৰ লগত হোৱা সমীভৱনৰ ফলত তেওঁলোকৰ পৰম্পৰাগত সমাজব্যৱস্থা আৰু পৰম্পৰাগত সংস্কৃতিত পৰিলক্ষিত হোৱা পৰিৱৰ্তনসমূহ সম্পৰ্কে অধ্যয়ন কৰা হোৱা নাই। গতিকে এই অধ্যয়নটোত হাঁহচৰা নগাগাঁৱৰ কন্যাক নগাসকলৰ সামাজিক তথা সাংস্কৃতিক দিশসমূহৰ লগতে তেওঁলোকৰ মাজত ক্ৰমাগতভাৱে পৰিলক্ষিত হোৱা বা সংঘটিত হোৱা সামাজিক তথা সাংস্কৃতিক দিশসমূহক ইয়াৰ অন্তৰ্ভুক্ত কৰি লোৱা হৈছে।

**১.০৫ অধ্যয়নত ব্যৱহৃত মূল শব্দসমূহৰ সংজ্ঞা** (Definition of the key terms ) ঃ

**ক) সামাজিক দিশ ঃ**

সমাজ বুলি ক'লে কোনো এক নিৰ্দিষ্ট ভূ-খণ্ডৰ একে নীতি-নিয়ম মানি চলা ব্যক্তিৰ সমষ্টিকে বুজা যায়।

এই অধ্যয়নটোত সামাজিক দিশ বুলি কওঁতে সমাজ এখনৰ বিভিন্ন দিশ যেনে — জাতি, ধৰ্ম, সমাজব্যৱস্থা, শিক্ষা, বৃত্তি আদিক সাঙুৰি লোৱা হৈছে।

**খ) সাংস্কৃতিক দিশ ঃ**

সংস্কৃতি হৈছে মানৱ সমাজৰ জ্ঞান-বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, শিল্প-কলা আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ সকলো দিশ সামৰি লোৱাৰ এক সামগ্ৰিক ৰূপ।

এই অধ্যয়নটোত সাংস্কৃতিক দিশ বুলি কওঁতে শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ উৎসৱ-পাৰ্বণ, জীৱন শৈলী, সাজ-পোছাক আদি দিশসমূহ সাঙুৰি লৈছে।

**গ) সামাজিক আৰু সাংস্কৃতিক দিশৰ পৰিৱৰ্তন ঃ**

সামাজিক আৰু সাংস্কৃতিক দিশৰ পৰিৱৰ্তন বুলিলে সমাজ এখনত প্ৰচলিত সামাজিক আৰু সাংস্কৃতিক নীতি-নিয়মৰ পৰিৱৰ্তন তথা নতুন দিশৰ সংযোজনক বুজা যাব।

এই অধ্যয়নটিত সামাজিক আৰু সাংস্কৃতিক দিশৰ পৰিৱৰ্তনে হাঁহচৰা নগাগাঁৱৰ সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা পৰিৱৰ্তনকে বুজাইছে।

**১.০৬ অধ্যয়নৰ সীমাবদ্ধতা** (Delimitation of the Study) ঃ

১। অধ্যয়নটোত শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱক সাঙুৰি লোৱা হৈছে।

২। শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱত বাস কৰা কন্যাক নগা লোকসকলত অধ্যয়নটো সীমাবদ্ধ কৰা হৈছে।

৩। শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ সামাজিক আৰু সাংস্কৃতিক দিশসমূহৰ অধ্যয়নটো সীমাবদ্ধ কৰা হৈছে।

# অধ্যায় — ২

# প্ৰণালী তত্ব
# (Methodology)

**২.০১ অধ্যয়নৰ পদ্ধতি** (Method of the Study) ঃ

প্ৰকল্পটোৰ উদ্দেশ্যসমূহত উপনীত হ'বৰ বাবে ক্ষেত্ৰভিত্তিক জৰীপ পদ্ধতিৰ জৰিয়তে অধ্যয়নৰ প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে।

**২.০২ জনসমষ্টি** (Population) ঃ

এই অধ্যয়নটোৰ কাৰণে শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ প্ৰতিজন নগালোককে অধ্যয়নৰ প্ৰতিদৰ্শ হিচাপে লোৱা হৈছে।

শিৱসাগৰ জিলাৰ নগাগাঁৱত মুঠ ৮০ ঘৰমান কন্যাক নগা লোকে বাস কৰে। বৰ্তমানৰ অধ্যয়নটোত হাঁহচৰা নগা গাঁওখনৰ ৮০ ঘৰ লোকৰ প্ৰত্যেকজন সদস্যকে অধ্যয়নৰ জনসমষ্টি হিচাপে নিৰ্বাচন কৰি লোৱা হৈছে।

**২.০৩ অধ্যয়নৰ নমুনা দল** (Sample of the Study) ঃ

শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ মুঠ ৮০ ঘৰ মানুহৰ ভিতৰত ২৬ ঘৰ লোকক নমুনা দল হিচাপে নিৰ্বাচিত কৰা হৈছিল। নমুনাদলৰ মুঠ ২৬ ঘৰ লোকৰ মুঠ সদস্যৰ সংখ্যা আছিল ১০৩ জন।

**২.০৪ অধ্যয়নত ব্যৱহৃত সঁজুলিসমূহ** (Tools used in the Study) ঃ

প্ৰকল্পটোৰ বাবে তথ্য সংগ্ৰহ কৰিবলৈ প্ৰস্তুতকৰ্তাই নিজে প্ৰস্তুত কৰা প্ৰশ্নসূচী আৰু সাক্ষাৎকাৰসূচী প্ৰয়োগ কৰা হৈছে।

**ক) গাঁৱৰ মুখিয়ালৰ কাৰণে প্ৰশ্নসূচী ঃ**

হাঁহচৰা নগা গাঁওখনৰ সম্পৰ্কে এক সম্যক বিৱৰণ লাভ কৰিব পৰাকৈ গাঁৱৰ মুখিয়ালজনৰ কাৰণে প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতকৰ্তাই এখন ১৫ টা প্ৰশ্ন সম্বলিত প্ৰশ্নসূচী প্ৰস্তুত কৰি উলিয়াইছিল।

**খ) গাঁৱৰ ব্যক্তিসকলৰ কাৰণে প্ৰশ্নসূচী ঃ**

শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ লোকসকলৰ পৰিয়াল সম্পৰ্কীয় তথ্য, শিক্ষাগত অৰ্হতা, বৃত্তি আদি তথ্যসমূহ সংগ্ৰহ কৰিবৰ কাৰণে প্ৰকল্প প্ৰস্তুতকৰ্তাই ৫ টা প্ৰশ্ন সম্বলিত এখন প্ৰশ্নসূচী প্ৰস্তুত কৰি উলিয়াইছিল।

**গ) গাঁৱৰ ব্যক্তিসকলৰ কাৰণে অৰ্ধসংগঠিত সাক্ষাৎকাৰ সূচী ঃ**

গাঁৱৰ লোকসকলৰ পৰা তেওঁলোকৰ সমাজ তথা সংস্কৃতি সম্পৰ্কে তথ্য আহৰণ কৰিব পৰাকৈ প্ৰস্তুতকৰ্তাই এখন ১১ টা মূল প্ৰশ্ন সম্বলিত অৰ্ধ সংগঠিত সাক্ষাৎকাৰ সূচী প্ৰস্তুত কৰি উলিয়াইছিল।

**২.০৫ তথ্য সংগ্ৰহ প্ৰণালী** (Procedure of Data Collection) ঃ

প্ৰকল্প প্ৰস্তুতকৰ্তাই তথ্যৰ উৎস হিচাপে প্ৰাথমিক উৎস আৰু গৌণ উৎসৰ সহায় লৈছে। প্ৰকল্প প্ৰস্তুতকৰ্তাই ২০২৩ চনৰ ২১ মাৰ্চত শিৱসাগৰ জিলাৰ নগাগাঁওত উপস্থিত হৈছিল। গাঁৱত উপস্থিত হোৱাৰ পাছত নিৰ্বাচিত নমুনাদলৰ অনুমতি সাপেক্ষে তেওঁলোকৰ পৰা সাক্ষাৎকাৰৰ জৰিয়তে তথ্য সংগ্ৰহ কৰা হৈছিল। নমুনাদলত নিৰ্বাচিত প্ৰত্যেকঘৰ লোকৰ ব্যক্তিসকলক একোখনকৈ প্ৰশ্নসূচী বিতৰণ কৰি প্ৰশ্নসূচী পূৰণ কৰিব পৰাকৈ নিৰ্দেশনা প্ৰদান কৰা হৈছিল। তথ্য সংগ্ৰহৰ সময়ছোৱাত প্ৰস্তুতকৰ্তাই প্ৰশ্নসূচীসমূহ সংগ্ৰহ কৰি লৈছিল। লগতে সাক্ষাৎকাৰৰ সময়ত নগা লোকসকলৰ সঁহাৰি তথা তেওঁলোকে প্ৰদান কৰা তথ্যসমূহ লিপিবদ্ধ কৰি ৰখা হৈছিল।

তথ্য সংগ্ৰহৰ শেষত তথ্য সংগ্ৰহকৰোতাই ধন্যবাদসহকাৰে তথ্য প্ৰদানকাৰীৰ পৰা বিদায় মাগিছিল।

তাৰোপৰি তথ্য সংগ্ৰহৰ কাৰণে গৌণ উৎস ইন্টাৰনেট, পুথি আদিৰ সহায় লোৱা হৈছে।

**২.০৬ তথ্য বিশ্লেষণ প্ৰণালী** (Procedure of Data Analysis ) ঃ

সংগৃহীত তথ্য বিশ্লেষণ কৰিবলৈ বৰ্ণনাত্মক বিশ্লেষণ পদ্ধতিৰ সহায় লোৱা হৈছে। প্ৰকল্প উদ্দেশ্যসমূত সম্পূৰ্ণভাৱে উপনীত হ'বৰ কাৰণে কিছু তথ্যৰ বিশ্লেষণৰ কাৰণে পাৰিসাংখ্যিক পদ্ধতি শতাংশৰ ব্যৱহাৰ কৰা হৈছে।

# অধ্যায় — ৩

# তথ্যৰ বিশ্লেষণ
# (Analysis of Data)

৩.০১ শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ সামাজিক দিশসমূহ (Social Aspects of Hahchara Naga Gaon, Sivasagar District) ঃ

সমাজ হৈছে কোনো এখন ভৌগোলিক খণ্ডত একেধৰণৰ ৰীতি-নীতি মানি চলা ব্যক্তিৰ একোটা গোট বা সমষ্টি। কোনো এখন সমাজৰ সামাজিক দিশ বুলি ক'লে সেই সসমাজখনত বাস কৰা লোকসকলৰ ধৰ্ম, জাতি, পৰিয়াল, বাসস্থান, শিক্ষা, জীৱিকা আদি সকলো দিশক সাঙুৰি লয়।

শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ সামাজিক দিশ সম্পৰ্কে সংগ্ৰহণ কৰা তথ্য সমূহ তলত বিশ্লেষণ কৰা হ'ল —

৩.১.১ **ধৰ্ম ঃ** ধৰ্ম হৈছে সমাজ এখনৰ এক গুৰুত্বপূৰ্ণ সামাজিক সংস্থা। শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ বাসিন্দাসকলে হিন্দু ধৰ্ম পালন কৰে।

৩.১.২ **জাতি ঃ** শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱত বসবাস কৰি থকা নগালোকসকল হৈছে কন্যাক জনগোষ্ঠীৰ।

৩.১.৩ **বাসস্থান ঃ** গাঁওখনত বসবাস কৰা লোকসকলৰ বাসস্থানসমূহ আধুনিক শৈলীৰে নিৰ্মিত। বাসস্থানসমূহ কেঁচা আৰু পকা দুয়োধৰণৰ।

৩.১.৪ **পৰিয়ালৰ গাঁঠনি ঃ** এই প্ৰকল্প অধ্যয়নৰ বাবে নিৰ্বাচিত মুঠ ২৬ ঘৰ মানুহৰ ভিতৰত ৭৩.০৭% (১৯ ঘৰ) একক পৰিয়াল আৰু ২৬.৯২% (৭ ঘৰ) হৈছে যৌথ পৰিয়াল।

৩.১.৫ **সমাজ ব্যৱস্থা ঃ** হাঁহচৰা নগাগাঁৱত পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰচলন আছে।

৩.১.৬ **সামাজিক আইন ঃ** নিজৰ পৰম্পৰা তথা সংস্কৃতি সংৰক্ষণ কৰিবৰ কাৰণে তেওঁলোকে কিছুমান নিজা আইনৰ গঢ় দি তুলিছে। গাঁৱৰ লোকসকলে জনোৱা অনুসৰি — যদি কোনো লোক তেওঁলোকৰ বিহুত উপস্থিত নাথাকে তেন্তে তেওঁলোকৰ বাবে পাঁচশ টকাৰ জৰিমনা বিহাৰ ব্যৱস্থা আছে।

৩.১.৭ **শাসন প্ৰণালী ঃ** শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ লোকসকলে তেওঁলোকৰ নিজা শাসনব্যৱস্থা মানি চলিব লাগে। তেওঁলোকৰ গাঁৱৰ কেন্দ্ৰস্থল মৰংঘৰৰ পৰাই প্ৰায়বোৰ কাৰ্য আৰম্ভ হয়। ১৫-২০ বছৰীয়া একোটা ল'ৰাৰ গোটে মৰংঘৰতে ৰাতিটো পাৰ কৰে। জ্যেষ্ঠসকল অহাৰ আগতেই তেওঁলোক মৰংঘৰত উপস্থিত হোৱাটো নিয়ম। এই ল'ৰাৰ গোটটোৱে ৰাতি বিপদত পৰা লোকসকলক সহায় কৰে আৰু গাঁৱত চুৰি বা ডকাইটি হ'লেও পহৰা দিয়ে। তেওঁলোকে সমাধান কৰিব নোৱাৰা সমস্যাসমূহ তেওঁলোকে ৰাইজৰ মাজলৈ এৰি দিয়ে। ৰাইজে এই সমস্যাসমূহ বিচাৰ-বিবেচনাৰ জৰিয়তে সমাধানৰ প্ৰয়াস কৰে। তাৰোপৰি গাঁৱত অনুষ্ঠিত হোৱা যিকোনো অনুষ্ঠান সম্বন্ধে ডেকাসকলেই জাননী দি সকলোকে জনাই দিব লাগে।

চিত্ৰ ৩.১ ঃ মৰংঘৰ



৩.১.৮ **শৈক্ষিক দিশ ঃ** শিক্ষাৰ ক্ষেত্ৰখনলৈ অবদান আগবঢ়াব পৰাকৈ শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱত দুখন বিদ্যালয় অৱস্থিত। তাৰ ভিতৰত এখন প্ৰাথমিক বিদ্যালয় 'Naga Gaon Govt. Junior Basic School' আৰু আনখন হৈছে 'হাঁহচৰা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়।' অৱশ্যে গাঁৱৰ পৰিসীমাৰ বাহিৰত গাঁওখনৰ নাতিদূৰত আন এখন বিদ্যালয় 'হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়' অৱস্থিত।

**তালিকা ঃ ৩.১**

| ক্ৰঃ নং | শিক্ষাগত অৰ্হতা | ব্যক্তিৰ সংখ্যা (শতাংশ) |
|---|---|---|
| ১ | অসাক্ষৰ | ৪.৫৪ |
| ২ | মেট্ৰিক উত্তীৰ্ণ | ৪২.৪২ |
| ৩ | উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ | ৩০.৩ |
| ৪ | স্নাতক উত্তীৰ্ণ | ২১.২১ |
| ৫ | স্নাতকোত্তৰ উত্তীৰ্ণ | ১.৫১ |

ওপৰৰ তালিকাৰ পৰা দেখা গ'ল যে হাঁহচৰা নগাগাঁৱৰ লোকসকলৰ ভিতৰত ২৬.২১% বৰ্তমান অধ্যয়নৰত অৱস্থাত আছে। পঢ়া সমাপ্ত কৰা ব্যক্তিসকলৰ ভিতৰত ৪২.৪২% মেট্ৰিক উত্তীৰ্ণ, ৩০.৩% উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ, ২১.২১% স্নাতক আৰু ১.৫১% লোক স্নাতকোত্তৰ। গাঁওখনৰ মাথো ৪.৫৪% ব্যক্তিহে অসাক্ষৰ হিচাপে পোৱা গ'ল। শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ লোকসকলৰ শিক্ষাগত অৰ্হতাসমূহ তলত দণ্ডচিত্ৰৰ সহায়ত উপস্থাপন কৰা হ'ল।




দণ্ড চিত্ৰ ঃ ৩.১

৩.১.৯ **বৃত্তি ঃ**

হাঁহচৰা নগা গাঁৱৰ প্ৰায় ২৬.২১% (২৭ জন) লোক অধ্যয়নৰত অৱস্থাত আছে। ৭.৭৬% (৮ জন) ব্যক্তি মুখ্য উপাৰ্জন চৰকাৰী চাকৰিত নিয়োজিত ১.৯৪% (২ জন) ব্যক্তি ব্যক্তিগত কোম্পানীৰ চাকৰিত নিয়োজিত, ৪.৮৫% (৫ জন) ব্যক্তি পশুপালনত জড়িত আৰু ৫.৮২% ( ৬ জন)ব্যক্তি কৃষিকাৰ্যত নিয়োজত। গাঁওখনৰ ১৭.৪৭% (১৮ জন) ব্যক্তি তেওঁলোকৰ জীৱিকাৰ কাৰণে হাজিৰা, গাড়ী চলোৱা, ঠিকা কৰা, পৰামিস্ত্ৰী, কাপোৰ চিলোৱা, ব্যৱসায় আদি বিভিন্ন কাৰ্যত জড়িত। এই মুখ্য কামবোৰৰ উপৰিও তেওঁলোকে পশুপালন, কৃষি, তাঁতবোৱা আদি কামবোৰত উপাৰ্জনৰ গৌণ উৎস হিচাপে নিয়োজিত হৈ থাকে।

ঘৰখনৰ উপাৰ্জনৰ ক্ষেত্ৰত মহিলাতকৈ পুৰুষসকল অধিক পৰিমাণে নিয়োজিত। মহিলাসকল প্ৰায়ে ঘৰুৱা কামত নিয়োজিত হৈ থাকে।

৩.২ **শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সাংস্কৃতিক দিশসমূহ** (Cultural Aspects of Hahchara Naga Gaon, Sivasagar District) ঃ

সংস্কৃতি হৈছে কোনো এখন সমাজৰ এক এৰাব নোৱাৰা অংগ। নিজস্ব সংস্কৃতিৰ অবিহনে কোনো সমাজত বসবাস কৰা

লোকসকলৰ স্বকীয় পৰিচয় বৰ্তাই ৰখাটো সম্ভৱ নহয়।

৩.২.১ ভাষা ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ লোকসকলে নগা দোৱান ব্যৱহাৰ কৰে। অসমৰ অসমীয়া লোকসকলৰ লগত সমীভৱনৰ কাৰণে তেওঁলোকে বিদ্যালয়, অফিচ-কাচাৰী বা অসমীয়া লোকসকলৰ লগত অসমীয়া ভাষাটো খুব সুন্দৰকৈ ব্যৱহাৰ কৰে। কিন্তু নিজৰ ঘৰখনত বা নগা লোকসকলৰ লগত তেওঁলোকে সদায় নিজা দোৱান ব্যৱহাৰ কৰা দেখা যায়।

নিজৰ ভাষা বা দোৱানটো সংৰক্ষণ কৰিব পৰাকৈ তেওঁলোকৰ প্ৰত্যেকৰে একো একোটা দোৱানৰ নাম থকাটো বাধ্যতামূলক। চাংকুং, ওবাংলেম, য়ানয়েং আদি তেওঁলোকৰ দোৱানৰ কিছুমান নাম। এই নামসমূহৰ পৰাই তেওঁলোকৰ বংশ পৰিয়াল আদিৰ সম্ভেদ পাব পৰা যায়।

৩.২.২ **উৎসৱ-পাৰ্বন ঃ**

বিহু হৈছে হাঁহচৰা নগাগাঁৱৰ কন্যাক নগাসকলৰ মূল উৎসৱ। ফাকুৱাৰ পাছৰটো পূৰ্ণিমাত তেওঁলোকে বিহু উদ্‌যাপন কৰে। তেওঁলোকে মৰংঘৰত সেৱা জনাই বিহু আৰম্ভ কৰে। গাঁৱৰ ডেকা জীয়ৰী সকলোৱে বিহুত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক। বিহুৰ সময়ছোৱাত ডেকা আৰু জীয়াৰীসকলক তেওঁলোকৰ দায়িত্বসমূহ পৃথকে পৃথকে অৰ্পণ কৰা হয়। ডেকাসকলে ঘৰে ঘৰে বিহু কৰে আৰু জীয়াৰীসকলে মৰংঘৰৰ বাহিৰত গাঁৱৰ মানুহৰ বাবে খাদ্য তৈয়াৰ কৰা বা আন কামসমূহ নিয়াৰিকৈ সম্পাদন কৰে।

বিহুৰ উপৰিও তেওঁলোকে ষাঠিপূজা নামেৰেও এটি উৎসৱ কৰে। হাঁহচৰা নগাগাঁৱৰ কন্যাক নগাসকলে পৰম্পৰাগত উৎসৱসমূহ পালন কৰাৰ লগতে অসমীয়া সমাজৰ উৎসৱসমূহতো অংশগ্ৰহণ কৰে। চিত্ৰ নং ৩.২ ত হাঁহচৰা নগা গাঁৱত উদ্‌যাপন কৰা বিহুৰ কেইটামান দৃশ্য সংযোজন কৰা হৈছে।



চিত্ৰ ঃ ৩.২

**বিহুৰ কেইটামান মুহূৰ্ত**

**৩.০২.০৩ ঘৰ নিৰ্মাণ প্ৰণালী ঃ**

শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ বৰ্তমানৰ ঘৰসমূহ আধুনিক শৈলীৰে নিৰ্মিত হ'লেও ঘৰ নিৰ্মাণৰ কাৰণে তেওঁলোকে এতিয়াও পৰম্পৰাগত নীতি-নিয়মসূহ মানি চলে। কন্যাক নগাসকলে নতুনকৈ সাজিবৰ কাৰণে মৰংঘৰত ডেকাচামক জনাব লাগে। পুৰণা ঘৰখন ভাঙিবৰ কাৰণে তেওঁলোকে লাইখুঁটাত কুকুৰা বলি দিয়ে আৰু গাঁৱৰ ডেকাচামৰ সহযোগত পুৰণা ঘৰখন ভাঙি নতুন ঘৰ স্থাপন কৰে। তেওঁলোকৰ প্ৰত্যেকৰে ঘৰত লাইখুঁটা স্থাপন কৰাটো নিয়ম। চিত্ৰ নং ৩.৩ ৰ পৰা লাইখুঁটা সম্পৰ্কে এক আভাষ পোৱা যাব।





চিত্ৰ ঃ ৩.৩

**পাকঘৰ আৰু লাইখুঁটা**

**৩.০২.০৪ সাজ-পোছাক ঃ**

নগা পুৰুষসকলে কঁকালত 'বেতৰ পেটী' (য়েকান) আৰু 'লেংটি' (তৌকাপ) পিন্ধে আৰু মহিলাসকলে 'মেখেলা' (ত্ৰিওচা) পিন্ধি বুকুত মেঠনি (খাংডাই) মাৰিছিল। শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ পুৰুষসকলে সাধাৰণতে লংপেণ্ট, চাৰ্ট আৰু মহিলাসকলে মেখেলা চাদৰ পৰিধান কৰে। কিন্তু উৎসৱ-পাৰ্বণ বা বিবাহ আদিৰ সময়ত তেওঁলোকে নিজৰ পম্পৰাগত সাজ-পোছাকসমূহ পৰিধান কৰে। অৱশ্যে কোনো উৎসৱৰ সময়ত যদি কোনো এক পৰিয়ালৰ সদস্যৰ মৃত্যু হয় তেন্তে সেই পৰিয়ালটোৰ আন আন সদস্যসকলে এবছৰলৈকে পৰম্পৰাগত সাজপাৰ আৰু আ-অলংকাৰ পৰিধান কৰিব নোৱাৰে।



**পুৰুষৰ সাজ-পোছাক**



**নাৰীৰ সাজ-পোছাক**

চিত্ৰ ঃ ৩.৪

৩.০২.০৫ আ-অলংকাৰ ঃ

কন্যাক নগাসকল আ-অলংকাৰৰ ক্ষেত্ৰত অতি চহকী। নগা মহিলাসকলে সৰু-ডাঙৰ ৰং-বিৰঙৰ মণিৰে তৈয়াৰী ডিঙিৰ অলংকাৰ (লিক্) হাতত 'খাৰু' (খাপচাম) আদি বিহুৰ সময়ত পৰিধান কৰে।

পুৰুষসকলে বিহুৰ সময়ত ওৱাং চৰাইৰ পাখি লগোৱা টুপী (খাংচৌ), হাতীৰ দাঁতৰে তৈয়াৰ কৰা বাউসীত পিন্ধা খাৰু (লকৰা) কড়িৰে তৈয়াৰ কৰা হাতৰ খাৰু (য়াকয়াপ) আদি পৰিধান কৰে। এই অলংকাৰসমূহৰ উপৰিও 'নালত নোম লগা দা' (য়াংমু), নোম লগা যাঠি (পাংমু) আদিও পুৰুষসকলৰ অন্যতম অলংকাৰ।

তলৰ চিত্ৰত কন্যাক নগা লোকসকলে পৰিধান কৰা আ-অলংকাৰ সমূহ দেখুওৱা হৈছে —



চিত্ৰ ৩.৫

**মহিলাৰ আ-অলংকাৰ**

**৩.০২.০৬ বিবাহৰ পদ্ধতি ঃ**

কন্যাক নগাসকলৰ বিবাহৰ পদ্ধতিটোত ল'ৰা আৰু মাক-দেউতাকৰ পচন্দক অগ্ৰাধিকাৰ দিয়া হয়। ল'ৰা আৰু মাক-দেউতাকৰ পচন্দ হ'লে কোনো ব্যক্তিৰ জৰিয়তে গৈ ছোৱালীৰ ঘৰত বিয়াৰ বাবে প্ৰস্তাৱ দিয়েগৈ। বিয়াৰ প্ৰস্তাৱত ছোৱালীৰ ঘৰ মান্তি হ'লে নিৰ্দিষ্ট দিনত বংশ-পৰিয়ালৰ মানুহ গৈ বিয়াৰ দিন ধাৰ্য কৰে আৰু জোৰোণ দিয়ে। জোৰোণৰ দিনা কন্যাৰ ঘৰৰ পৰা দৰাক 'এপাট মূল যাঠি' আৰু 'পিতলৰ খাৰু' (পাঃচৌঃ খাপচান) দিয়া হয়। ঠিক তেনেদৰেই বিয়াৰ দিনা বাঁহৰ ঢাল (য়াংয়ং) দিয়াটো নিয়ম।

বিয়াৰ দিনা খাদ্যসম্ভাৰত ছোৱালীৰ ঘৰত গাহৰি মাংস থাকে। ছোৱালীঘৰত ডাঙৰ গাহৰি মাৰিব পৰাটো হৈছে তেওঁলোকৰ সম্ভ্ৰমৰ পৰিচয়। সেয়ে ছোৱালীৰ বিয়াত দিয়া গাহৰিৰ লাওখোলাটো নিজৰ ঘৰৰ বেৰত আঁৰি ৰাখে। দৰাঘৰতো দৰা-কইনাৰ বৈবাহিক জীৱন সুখৰ হোৱাৰ কামনাৰে ঘৰত লাইখুঁটাৰ ওচৰত কুকুৰা মাৰি পূজা কৰা হয়।



চিত্ৰ ৩.৬

৩.০২.০৭ কেঁচুবা জন্মৰ লগত জড়িত নিয়ম ঃ

শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ কন্যাক নগাসকলে কেঁচুবা জন্ম হোৱা ৫/৭ দিনৰ পাছত কেঁচুবাটোক বাহিৰলৈ উলিয়াই আৰু এমাহত শুদি পাতে। নামকৰণৰ ক্ষেত্ৰত বংশ আৰু গোষ্ঠীৰ ওপৰত ভিত্তি কৰি কেঁচুবাটোৰ নাম ৰখা হয়।

৩.০২.০৮ মৃতকৰ সংকাৰ ঃ

শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ লোকসকলে কোনো লোকৰ মৃত্যু হ'লে মৃতদেহটো পুতি থয়। যদি মৃত ব্যক্তিগৰাকী মহিলা হয় তেন্তে তেওঁৰ মৃতদেহ সাধাৰণ নীতি-নিয়মৰ মাজেৰে পোতে। কিন্তু যদিহে মৃত ব্যক্তিগৰাকী পুৰুষ হয় তেতিয়া মৰংঘৰত ৰখা খাম (টুংখুং) নামৰ বাদ্যযন্ত্ৰবিধ গাঁৱৰ প্ৰত্যেকঘৰ মানুহে শুনাকৈ বজোৱা হয়। এই বাদ্যযন্ত্ৰবিধ বিহুৰ সময়তো বজোৱা হয়। যদিও বিহুত বজোৱা চেওঁ আৰু মৃতকৰ কাৰণে বজোৱা চেওঁ পৃথক হয়। টুংখুংৰ চেওঁ শুনি গাঁৱৰ সকলো মানুহ লগ সহয় আৰু মৃতকৰ সংকাৰৰ কাম-কাজসমূহ সম্পন্ন কৰে। চিত্ৰ ৩.৬ ত টুংখুংৰ চিত্ৰ সংযোগ কৰা হৈছে।



চিত্ৰ ৩.৬
টুংখুং

**৩.০২.০৯ শিল্প কলা ঃ**

কন্যাক নগাসকল শিল্পকলাত যথেষ্ট পাকৈত। তেওঁলোকে বাঁহৰ গগনা, খৰাহী, বিহুত পৰিধান কৰা টুপী আদি সাজে। বাঁহৰ সামগ্ৰীসমূহৰ উপৰিও তেওঁলোকে কাঠেৰে বাঘ, চৰাই আদি সাজি সেইসমূহ ৰঙেৰে বোলাই সজাই ৰাখে। হাঁহচৰা নগাগাঁৱৰ লোকসকলে তেওঁলোকে নিজ হাতেৰে সাজি উলিওৱা কাঠ আৰু বাঁহৰ সামগ্ৰীসমূহ সুন্দৰভাৱে মৰংঘৰত সজাই ৰাখিছে। তাৰ কিছুমান চিত্ৰ তলত দেখুওৱা হৈছে—



চিত্ৰ ঃ ৩.৭ শিল্পকলা

৩.০২.১০ লোকবিশ্বাস ঃ

হাঁহচৰা নগাগাঁৱৰ কন্যাক নগা লোকসকলে তেওঁলোকৰ উপৰিপুৰুষৰ ৰীতি-নীতিসমূহকে বিশ্বাস কৰি আহিছে। গাঁওখনৰ লোকসকলে কোনো ব্যক্তিৰ অসুখ-বিসুখ হ'লে তাক চোৱাচিতা কৰি যি কাম কৰিবলৈ মনস্থ কৰা হয়; তাক কৰিব নোৱাৰিলে এই কামটো কৰিম বুলি টোপোলা বান্ধি ৰখা হয়।

তেওঁলোকৰ সমাজত বৰ্তমানেও প্ৰচলিত এটা লোকবিশ্বাস হৈছে যে যদি কোনো কামলৈ ওলাই যোৱাৰ সময়ত কলখাটি চৰায়ে সোঁফালে চিঞৰে তেন্তে সেই কামটো সিদ্ধি নহয়।

**৩.০৩ শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ সামাজিক তথা সাংস্কৃতিক দিশত পৰিলক্ষিত হোৱা পৰিৱৰ্তনসমূহৰ অধ্যয়ন (Transformation in the Social and cultural aspects of Hahchara Naga Gaon, Sivasagar) ঃ**

**৩.০৩.০১ ঃ** শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ কন্যাক নগালোকসকলে তেওঁলোকৰ নিজা সংস্কৃতি তথা সামাজিক দিশসমূহ অটুট ৰাখিছে। তথাপিও অসমীয়া সমাজৰ সংস্পৰ্শত দীৰ্ঘদিন বাস কৰাৰ কাৰণে কিছু কিছু ক্ষেত্ৰত পৰিবৰ্তন পৰিলক্ষিত হয়। হাঁহচৰা নগাগাঁৱৰ বৰ্তমানৰ বাসগৃহসমূহ পৰম্পৰাগত শৈলীৰে নিৰ্মাণ কৰাৰ বিপৰীতে অসম শৈলীৰ বা আৰ. চি.চি. শৈলীৰে নিৰ্মাণ কৰা।

**৩.০৩.০২ ঃ** ভাষাৰ ক্ষেত্ৰত বৰ্তমান সময়ত নিজৰ ঘৰখনত বা কন্যাক নগা লোকসকলৰ মাজত নগা দোৱানতে কথা-বতৰা পতা হয় যদিও তেওঁলোকে অসমীয়া ভাষাটোও খুব সুন্দৰভাৱে আয়ত্ত কৰি লৈছে।

**৩.০৩.০৩ ঃ** বিবাহৰ ক্ষেত্ৰত পৰম্পৰা অনুসৰি ছোৱালীতকৈ ল'ৰা বা ল'ৰাৰ মাক-দেউতাকৰ পচন্দক বেছি অগ্ৰাধিকাৰ দিয়া হয়। কিন্তু বৰ্তমান ল'ৰা-ছোৱালী উভয়ৰে পচন্দক প্ৰাধান্য দিয়া হয়। তাৰোপৰি অসমত বাস কৰাৰ কাৰণে তেওঁলোকৰ সন্তানক অসমীয়া বা আন জাতিৰ লোকৰ লগত বিবাহপাশত আবদ্ধ হোৱাৰ ক্ষেত্ৰত স্বাধীনতা প্ৰদান কৰে। অৱশ্যে কন্যাক নগা ল'ৰাৰ লগত বিবাহত আবদ্ধ হোৱা আন জাতিৰ ছোৱালীসকলে নগা দোৱান শিকাটো বাধ্যতামূলক।

বিবাহ সম্পৰ্কে গাঁৱৰ বহুকেইজন ব্যক্তিয়ে মন্তব্য আগবঢ়াইছিল যে — "আগৰ দিনত কথাবোৰ বেলেগ আছিল। আমাৰ ককা, আইতাৰ দিনত ঘৰৰ মানুহে পচন্দ কৰা অনুসৰি তেওঁলোক বিয়াত বহিছিল। গতিকে বিয়াখন নগা ল'ৰা আৰু ছোৱালীৰ মাজতেই হৈছিল। কিন্তু আজিকালি ল'ৰা-ছোৱালীবোৰ নিজে পচন্দ কৰে। গতিকে আমিও সিহঁতক বাধা নিদিও। গাঁওখনৰ বহুকেইজন জোঁৱাই আৰু বোৱাৰী অসমীয়াই। কিন্তু বোৱাৰীসকলে বিয়া পতাৰ পাছত আমাৰ দোৱানটো শিকিবই লাগিব।

**৩.০৩.০৪ ঃ** সাজ-পাৰৰ ক্ষেত্ৰতো শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ লোকসকলে কোনো বিশেষ উৎসৱ-পাৰ্বণ বা অনুষ্ঠান নাথাকিলে মেখেলা-চাদৰ, পেণ্ট-চাৰ্ট বা আন আধুনিক সাজ-পাৰসমূহ পৰিধান কৰে।

**৩.০৩.০৫ ঃ** সামাজিক আইনৰ ক্ষেত্ৰত তেওঁলোকৰ পূৰ্বতে বিহু বা পৰম্পৰাগত উৎসৱসমূহত অংশগ্ৰহণ কৰাৰৰ কাৰণে কোনো জৰিমনাৰ ব্যৱস্থা নাছিল। কিন্তু বৰ্তমান সময়ত পৰম্পৰাগত উৎসৱ-পাৰ্বণত উপস্থিত নথকা ব্যক্তিসকলক পাঁচশ টকাকৈ জৰিমনা বিহা হয়।

# সামৰণি
# (Conclusion)

**৪.০১ অধ্যয়নৰ ফলাফল** (Findings of the Study) ঃ

প্ৰকল্প অধ্যয়নৰ বাবে সংগ্ৰহ কৰা তথ্যসমূহৰ বিশ্লেষণৰ পৰা অধ্যয়নকাৰীয়ে নিম্নোক্ত সিদ্ধান্তসমূহত উপনীত হয়।

ক) হাঁহচৰা নগাগাঁৱৰ প্ৰায়ঘৰ মানুহ কন্যাক নগা আৰু তেওঁলোকে হিন্দুধৰ্ম পালন কৰে।

খ) হাঁহচৰা নগাগাঁৱৰ সমাজব্যৱস্থাটো হৈছে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা। ঘৰখনৰ জ্যেষ্ঠ্য পুৰুষজনে যিকোনো গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ গ্ৰহণ কৰে।

গ) শিক্ষাৰ ক্ষেত্ৰত অৱদান আগবঢ়াব পৰাকৈ গাঁওখনত দুখন বিদ্যালয় অৱস্থিত। গাঁওখনৰ প্ৰায়সকল লোকেই শিক্ষিত। হাঁহচৰা নগাগাঁৱত অসাক্ষৰ লোকৰ সংখ্যা যথেষ্ট কম।

ঘ) সামাজিক প্ৰস্থিতিৰ ক্ষেত্ৰত দেখা পোৱা গ'ল যে পুৰুষতকৈ মহিলাৰ সামাজিক প্ৰস্থিতি নিম্ন।

ঙ) তেওঁলোকে যদিও আন জাতিৰ লোকৰ লগত বেলেগ ভাষাত কথা পাতে, নিজ জাতিৰ মানুহৰ লগত বা ঘৰত তেওঁলোকে নগা দোৱান ব্যৱহাৰ কৰাটো বাধ্যতামূলক।

চ) বাসস্থান নিৰ্মাণৰ ক্ষেত্ৰত তেওঁলোকে আধুনিক শৈলীৰে ঘৰসমূহ নিৰ্মাণ কৰে যদিও এতিয়াও প্ৰতিটো ঘৰত লাইখুঁটা স্থাপন কৰে।

ছ) হাঁহচৰা নগাগাঁৱৰ মূল উৎসৱ হৈছে বিহু। তেওঁলোকে প্ৰতিবছৰৰ ফাকুৱাৰ পাছৰটো পূৰ্ণিমাত বিহু পালন কৰে। বিহুত প্ৰত্যেকজন ব্যক্তিয়ে অংশগ্ৰহণ কৰাটো বাধ্যতামূলক। যদি কোনো লোকে বিহুত অংশগ্ৰহণ নকৰে তেওঁলোকৰ বাবে ৫০০ টকাৰ জৰিমনা বিহা হয়।

জ) অধ্যয়নটোৰ পৰা পোৱা গ'ল যে হাঁহচৰা নগা গাঁৱৰ কিছুমান বাহ্যিক দিশ যেনে বাসস্থান, সাজ-পোছাক আদিৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধন হৈছে। কিন্তু তেওঁলোকে নিজৰ পৰম্পৰাগত নীতি-নিয়মসমূহ বৰ্তাই ৰখাৰ ক্ষেত্ৰত কোনোধৰণৰ ত্ৰুটি ৰখা নাই।

ঝ) হাঁহচৰা নগা গাঁৱৰ প্ৰায় ২৬.২১% (২৭ জন) লোক অধ্যয়নৰত অৱস্থাত আছে। ৭.৭৬% (৮ জন) ব্যক্তি মুখ্য উপাৰ্জন চৰকাৰী চাকৰিত নিয়োজিত ১.৯৪% (২ জন) ব্যক্তি ব্যক্তিগত কোম্পানীৰ চাকৰিত নিয়োজিত, ৪.৮৫% (৫ জন) ব্যক্তি পশুপালনত জড়িত আৰু ৫.৮২% ( ৬ জন)ব্যক্তি কৃষিকাৰ্যত নিয়োজত। গাঁওখনৰ ১৭.৪৭% (১৮ জন) ব্যক্তি তেওঁলোকৰ জীৱিকাৰ কাৰণে হাজিৰা, গাড়ী চলোৱা, ঠিকা কৰা, পৰামিস্ত্ৰী, কাপোৰ চিলোৱা, ব্যৱসায় আদি বিভিন্ন কাৰ্যত জড়িত। এই মুখ্য কামবোৰৰ উপৰিও তেওঁলোকে পশুপালন, কৃষি, তাঁতবোৱা আদি কামবোৰত উপাৰ্জনৰ গৌণ উৎস হিচাপে নিয়োজিত হৈ থাকে।

ঘৰখনৰ উপাৰ্জনৰ ক্ষেত্ৰত মহিলাতকৈ পুৰুষসকল অধিক পৰিমাণে নিয়োজিত। মহিলাসকল প্ৰায়ে ঘৰুৱা কামত নিয়োজিত হৈ থাকে।

**৪.০২ ভৱিষ্যত অধ্যয়নৰ বাবে পৰামৰ্শাৱলী** (Suggestions for Future Study) ঃ

ক) শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ লোকসকলৰ অৰ্থনৈতিক দিশটোৰ ওপৰত ভৱিষ্যতে অধ্যয়ন কৰিব পৰা যাব।

খ) শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ কন্যাক নগা লোকসকলৰ ওপৰত কৰিবপৰা অধ্যয়নৰ আন এটা সম্ভাৱনীয়তা হৈছে গাঁওখনৰ পুৰুষ আৰু নাৰীসকলৰ সামাজিক প্ৰস্থিতিৰ এক তুলনাত্মক অধ্যয়ন কৰা।

**৪.০৩ সামৰণি** (Conclusion) ঃ

শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ কন্যাক নগাসকলৰ এক নিজস্ব ঐতিহ্যপূৰ্ণ সংস্কৃতি আছে। তেওঁলোকে নিজৰ ৰাজ্যৰ পৰা আঁতৰি আহি সম্পূৰ্ণভাৱে পৃথক এক সামাজিক বাতাবৰণৰ মাজত দীৰ্ঘদিন ধৰি বসবাস কৰি আছে। তথাপি নিজৰ সংস্কৃতিৰ বৰ্তাই ৰখাৰ ক্ষেত্ৰত গাঁওখনৰ কন্যাক নগালোকসকলে অহোপুৰুষাৰ্থ চেষ্টা কৰি আহিছে। যাৰ ফলত তেওঁলোকৰ ভাষা, বিবাহ, উৎসৱ-পাৰ্বণ, ৰীতি-নীতিসমূহত বৰ্তমানেও নগালোকসকৰ কৃষ্টি-সংস্কৃতি প্ৰতিফলিত হয়।

## সহায়ক গ্ৰন্থপঞ্জী ঃ


১। গগৈ, স্নিগ্ধাৰাণী (২০১৭) 'শিৱসাগৰৰ হাঁহচৰা নগা গাঁও'। প্ৰশান্ত কুমাৰ চুতীয়া আৰু অনিল পাংগিং (সম্পাদিত) জেৰেঙা-ৰূপহী, স্মাৰক গ্ৰন্থ, অসম সাহিত্য সভাৰ শতবৰ্ষীয় অধিৱেশন, শিৱসাগৰ, পৃষ্ঠা — ৪৩৯-৪৪২।

২। চেতিয়া, চি.কে. (২০১৫) অসমৰ জনগোষ্ঠীয় লোক-সংস্কৃতি, গুৱাহাটী ঃ জাগৰণ।

৩। হাকাচাম, ইউ. আৰ. আৰু নাথ, পি. কে. (২০১৭) অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ, গুৱাহাটী ঃ বনলতা, পৃষ্ঠা — ২১৫-২২২।

৪। Dutta, P.P., & Dutta, U.P. (2015). A study of a kanyak Naga Village in Sivasagar District of Assam, India. *International Research Journal of Social Science*, 4 (11).

৫। Boruah, S. (2017). Family among the Nagas in Assam : A case study in Hahchara Adarsha Naga Village in Sivasagar district of Assam, *International Journal of Developmental Research*, 1 (12).

# গাঁৱৰ মুখ্য ব্যক্তিৰ কাৰণে প্ৰশ্নসূচী

**ব্যক্তিৰ ব্যক্তিগত তথ্যঃ**

(১) নামঃ

(২) লিংগঃ পুৰুষ ☐ মহিলা ☐

(৩) শিক্ষাগত অৰ্হতাঃ

**গাঁৱৰ বিষয়ে তথ্যঃ**

(১) গাঁৱৰ নামঃ

(২) গাঁও পঞ্চায়তৰ নামঃ

(৩) জিলাৰ নামঃ

(৪) গাঁৱৰ চাৰিসীমাঃ

(৫) গাঁৱৰ মুঠ জনসংখ্যাঃ

(৬) গাঁৱত বসবাস কৰা সম্প্ৰদায়সমূহঃ

(৭) অধিক জনসংখ্যাযুক্ত সম্প্ৰদায়ঃ

(৮) মূলধৰ্মঃ

(৯) আপোনালোকৰ সমাজ ব্যৱস্থাটো কেনেধৰণৰ ?

(a)পিতৃপ্ৰধান ☐ (b) মাতৃপ্ৰধান ☐

(১০) আপোনালোকৰ গাঁৱত স্থানীয় বিচাৰ ব্যৱস্থাৰ প্ৰচলন আছে নেকি ?

(a)আছে ☐ (b) নাই ☐

যদি আছে কেনেধৰণৰ ?

Alfroz

(১১) আপোনালোকৰ গাঁৱত সামাজিক সিদ্ধান্তসমূহ কোনে গ্ৰহণ কৰে ?

(১২) আপোনালোকৰ গাঁৱত পালন কৰা মূল উৎসৱসমূহ কি কি ?

(a) এই উৎসৱসমূহ বৰ্তমান পালন কৰা হয় ?

হয় ☐ নহয় ☐

(১৩) গাঁৱত থকা শিক্ষানুষ্ঠানৰ তথ্য:

| ক্ৰমিক নং | নাম | প্ৰকাৰ | স্থাপিত চন | চৰকাৰী/বেচৰকাৰী |
|---|---|---|---|---|
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |
| | | | | |

(১৪) আপোনাৰ সমাজত প্ৰচলিত পৰম্পৰাগত বিশ্বাসসমূহ কি কি ?



# প্ৰশ্নসূচীঃ ২

## শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ সামাজিক সাংস্কৃতিক দিশ

**ব্যক্তিৰ ব্যক্তিগত তথ্যঃ**

(a) তথ্য প্ৰদানকাৰীৰ নামঃ
(b) বয়সঃ
(c) লিংগঃ
(d) ধৰ্মঃ
(e) সম্প্ৰদায়ঃ

(১) আপোনাৰ পৰিয়ালটো কোনটো প্ৰকাৰৰ ?

(a) একক ☐ (b) যৌথ ☐

(২) আপোনাৰ পৰিয়ালৰ মুঠ সদস্য সংখ্যা কিমান? ☐

(৩) আপোনাৰ পৰিয়ালৰ সদস্যসকলৰ শিক্ষাগত অৰ্হতা কিমান ?

| সদস্যৰ নাম | অসাক্ষৰ | মেট্ৰিক পাছ | হায়াৰ ছেকেণ্ডাৰী পাছ | স্নাতক | স্নাতকোত্তৰ | অন্যান্য |
|---|---|---|---|---|---|---|
| | | | | | | |
| | | | | | | |
| | | | | | | |
| | | | | | | |
| | | | | | | |
| | | | | | | |
| | | | | | | |

(৪) আপোনালোকৰ পৰিয়ালত গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ কোনে গ্ৰহণ কৰে ?

(a) বয়োজ্যেষ্ঠজনে ☐
(b) পুৰুষজনে ☐
(c) সমজুৱাভাৱে ☐
(d) অন্যান্য ..............................

(৫) আপোনালোকৰ পৰিয়ালৰ সদস্যসকলে উপাৰ্জনৰ কাৰণে কি জীৱিকা গ্ৰহণ কৰে ?

| সদস্যৰ নাম | চৰকাৰী চাকৰি | বেচৰকাৰী চাকৰি | পশুপালন | কৃষি | অন্যান্য | গৌণ জীৱিকা |
|---|---|---|---|---|---|---|
| | | | | | | |
| | | | | | | |
| | | | | | | |
| | | | | | | |
| | | | | | | |
| | | | | | | |
| | | | | | | |

# অৰ্ধ সংগঠিত সাক্ষাৎকাৰ সূচী

(১) আপোনালোকৰ মূল ভাষাটো কি ?

- ❖ আপোনালোকে ঘৰত কি ভাষা ব্যৱহাৰ কৰে ?
- ❖ ঘৰৰ বাহিৰত কি ভাষা ব্যৱহাৰ কৰে ?
- ❖ আপোনাৰ সন্তানে নিজৰ ভাষাটো ভালদৰে ক'ব জানেনে

(২) আপোনালোকৰ পৰম্পৰাগত সাজ-পাৰ সম্পৰ্কে ক'ব নেকি ?

- ❖ পৰম্পৰাগত সাজ-পাৰসমূহ আপোনালোকে সদায় পৰিধান কৰে নে ?
- ❖ যদি নকৰে, কোন সময়ত পৰিধান কৰে ?

(৩) আপোনালোকৰ গাঁৱত পালন কৰা মূল উৎসৱসমূহ কি কি ?

(৪) আপোনালোকৰ পৰম্পৰাগত গীত-নৃত্যৰ সম্পৰ্কে জনাব নেকি ?

(৫) আপোনালোকৰ ঘৰত কেঁচুৱা এটা জন্মৰ পাছত কেনেধৰণৰ ৰীতি-নীতিসমূহ পালন কৰা হয় ?

(৬) আপোনালোকৰ সমাজত প্ৰচলিত বিবাহ প্ৰথাটো কেনেধৰণৰ ?

- ❖ বিবাহৰ ক্ষেত্ৰত কিবা পৰম্পৰাগত বাধা-নিষেধ আছে নেকি ?

(৭) আপোনালোকৰ পৰম্পৰাগত আ-অলংকাৰসমূহ কেনেধৰণৰ?

(৮) আপোনালোকৰ সমাজত প্ৰচলিত লোকবিশ্বাস সমূহ কেনেধৰণৰ?

৯) আপোনালোকৰ পৰম্পৰাগত শিল্প কলাসমূহ কেনেধৰণৰ ?

(১০) আপোনাৰ সমাজত মানুহ এজনৰ মৃত্যুৰ পাছত কেনেধৰণৰ নীতি-নিয়ম মানি চলা হয় ?

❖ আপোনালোকে এই নীতি-নিয়মসমূহ বতৰ্মানেও মানি চলেনে ?

(১১) আপোনালোকৰ সমাজত প্ৰচলিত পৰম্পৰাগত নীতি-নিয়মসমূহৰ ক্ষেত্ৰত কিবা পৰিৱৰ্তন পৰিলক্ষিত হৈছে নেকি ?

# তথ্য সংগ্ৰহৰ কিছু মুহূৰ্ত











